**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-SEP-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***
**--------------------**

১। অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি নিৰ্বাচনৰ মনোনয়ন দাখিল পৰ্বৰ আজি বিয়লি ৪ বজাত সামৰণি।
২। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানে কৃষি, পশুপালন, বয়নশিল্পৰ দৰে বিভিন্ন খণ্ডত স্বাৱলম্বী মহিলা উদ্যমীক উপকৃত কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আশা প্ৰকাশ।
৩। উত্তৰ পূৰ্বাঞ্চলৰ আভ্যন্তৰীণ জল পৰিবহন আন্তঃগাথনিত বিগত দুবছৰত এহেজাৰ কোটিৰো অধিক ধন বিনিয়োগ কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।
৪। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ নৱজাতকৰ আই চি ইউত এটি শিশুৰ মৃত্যুৰ ঘটনাত চিকিৎসকসহ ৭ জনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ।

**আৰু**

৫। বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় আয়োগৰ উদ্যোগত আজি গুৱাহাটীত মাণ্ডলিক পৰ্যায়ত সামৰ্থ বৰ্ধন আৰু সজাগতা কৰ্মশালা।

০০০০০০

অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি নিৰ্বাচনৰ মনোনয়ন দাখিল পৰ্বৰ আজি বিয়লি ৪ বজাত সামৰণি পৰে। তামুলপুৰত পাঁচটা পৰিষদীয় সমষ্টিৰ একাংশ প্ৰাৰ্থীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। দৰঙাজুলি, নাগ্ৰীজুলি আৰু শুক্লাই চেৰফাং সমষ্টিৰ মনোনয়ন পত্ৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত গ্ৰহণ কৰা হয়। গয়বাৰী আৰু গোৰেশ্বৰ সমষ্টিৰ বাবে প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত জমা কৰা হয়। দৰঙাজুলি সমষ্টিত তিনিগৰাকী প্ৰাৰ্থী বি পি এফৰ ইমানুৱেল মুছাহাৰী, ইউ পি পি এলৰ জলেন দৈমাৰী আৰু নিৰ্দলীয় মনোজ গয়াৰীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। নাগ্ৰীজুলি সমষ্টিত ৬গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰে পাঁচগৰাকী নিৰ্দলীয় আৰু এগৰাকী ইউ পি পি এলৰ প্ৰাৰ্থী। গয়বাৰী সমষ্টিত বি পি এফৰ জিতেন মুছাহাৰী, ইউ পি পি এলৰ প্ৰমোদ বড়ো, কংগ্ৰেছৰ ৰুমী সিং মুছাহাৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰদীপ ৰাভা নামৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়েও আজি সমষ্টিটোত মনোনয়ন পত্ৰ জমা দিয়ে। শুক্লাই চেৰফাং সমষ্টিত বি পি এফৰ গণেশ কছাৰী, ইউ পি পি এলৰ প্ৰদীপ নাৰ্জাৰী আৰু নাইবেন্দ্ৰ বড়ো নামৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে গোৰেশ্বৰ সমষ্টিত বি পি এফৰ মহেশ্বৰ বসুমতাৰী, চি পি আই এমৰ নিকুঞ্জ চৌধুৰী আৰু নিৰ্দলীয় প্ৰাৰ্থী ধৰণীধৰ বড়োৱে মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ পাঁচটা সমষ্টিত সৰ্বমুঠ ২০গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

কোকৰাঝাৰত দেবৰগাঁও সমষ্টিত বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে আজি মনোনয়ন পত্ৰ জমা কৰে। বি টি চিৰ মুখ্য কাৰ্যবাহী আৰু ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৱেও আজি দোতমা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত শ্ৰীবড়োৰ সৈতে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু সাংসদ জয়ন্ত বসুমতাৰী উপস্থিত আছিল।

চিৰাঙৰ থুবিবাৰী সমষ্টিত বিজনীৰ বিধায়ক বিজেপিৰ অজয় কুমাৰ ৰায়ক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। দলটোৰ প্ৰভাত বসুমতাৰী আৰু সুভাষ চন্দ্ৰ বসমুতাৰীয়ে সুভাইঝাৰ আৰু মানাস চেৰফাং সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে।

বাক্সা জিলাৰ শালবাৰী মহকুমাধিপতিৰ কাৰ্যালয়ত আজি মথনগুৰি আৰু শালবাৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী গৌতম দাস আৰু চক্ৰধৰ দাসে মনোনয়ন পত্ৰ দাখিল কৰে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু বিধায়ক ফণীধৰ তালুকদাৰে মনোনয়ন পত্ৰ দাখিলৰ সময়ত বিজেপিৰ প্ৰাৰ্থীগৰাকীক সংগ দিয়ে। মনোনয়ন পত্ৰ দাখিল কৰি বিজেপিৰ প্ৰাৰ্থী দুগৰাকীয়ে সংবাদ মাধ্যমৰ আগত তেওঁৰ জয় সুনিশ্চিত বুলি দাবী কৰে।

অনান্য ৰাজনৈতিক দলসমূহেও একেদৰে নিজৰ নিজৰ প্ৰাৰ্থীসকলৰ হৈ বি টি আৰৰ জিলাকেইখনত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি হোজাই জিলাত ৩১ হাজাৰ ৯১০ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক প্ৰদান কৰে। এই অভিযানৰ জৰিয়তে কৃষি, পশুপালন, বয়নশিল্প, হস্তশিল্পকে ধৰি বিভিন্ন খণ্ডত স্বাৱলম্বী মহিলা উদ্যমীসকল উপকৃত হব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ড° শৰ্মাই জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেল পথাৰত আয়োজিত অনুষ্ঠানত এই  কাৰ্যসূচীত অংশ লয়। ইয়াৰ পাছত তেওঁ ডবকাত নৱ নিৰ্মিত গীতাশ্ৰম উদ্বোধন কৰাৰ লগতে গোপাল জীউ মন্দিৰত পূজা অৰ্চনা কৰে। মুখ্যমন্ত্ৰীয়ে হোজাইৰ সাগৰবস্তিৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদো মুকলি কৰে। বিশ্ববিদ্যালয়ৰ ছাৰ জগদীশ চন্দ্ৰ বসু চৌহদ মুকলি কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষেও অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ৫৭ কোটি ৩৪ লাখ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ চৌহদত উপাচাৰ্যৰ কাৰ্যালয়, প্ৰশাসনিক কাৰ্যালয়, ডিজিটেল শ্ৰেণীকোঠা, গৱেষণা আৰু গৱেষক কক্ষ, সন্মিলন কক্ষ, ফেকাল্টি কক্ষ, কম্পিউটাৰ লেব'ৰেটৰী, স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীকোঠা আদি থকাৰ লগতে উদ্যানশস্য আদিৰো ব্যৱস্থা আছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়।

বাইট ঃ মুখ্যমন্ত্ৰী

০০০০

অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ আভ্যন্তৰীণ জল পৰিবহন আন্তঃগাথনিত বিগত দুবছৰত এহেজাৰ কোটিৰো অধিক ধন বিনিয়োগ কৰা হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অহা ২৭ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ  মুম্বাইত হ'বলগীয়া ভাৰতীয় সামুদ্ৰিক সপ্তাহ, ২০২৫-ৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ পাছত এই কথা প্ৰকাশ কৰে। তেওঁ সকলো অংশীদাৰকে ভাৰতীয় সামুদ্ৰিক সপ্তাহৰ কাৰ্যসূচীলৈ আদৰণি জনোৱাৰ লগতে দেশৰ সৰ্ববৃহৎ সামুদ্ৰিক কাৰ্যসূচীৰ অংশ হবলৈ আহ্বান জনায়। এই কাৰ্যসূচীত কমেও এশ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে কয়। এই অনুষ্ঠানৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ জলপথ ব্যৱহাৰ পৰ্যটন খণ্ডৰ প্ৰসাৰৰ দিহা কৰা হ'ব।  ইয়াৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দেশৰ জল পৰিবহণ খণ্ডৰ বিকাশৰ অংশীদাৰ কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি তেওঁ কয়। শ্ৰীসোণোৱালে কয় যে অসমত গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ ১৪ খন প্ৰমোদতৰী চলাচল কৰি আছে। ব্ৰহ্মপুত্ৰত ২-২৭ চনৰ ভিতৰত দুখন প্ৰমোদতৰী চলাচল কৰোৱা হব বুলি তেওঁ উল্লেখ কৰে। ২৫০ কোটি টকা  ব্যয় সাপেক্ষে কোলকাতাত জাহাজ দুখন নিৰ্মাণ কৰি থকা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে  জাৰ্মানীৰ আগশাৰীৰ পৰিবহন কোম্পানী ৰেনাছ লজিষ্টিক প্ৰাইভেট লিমিটেডে বৰাক-ব্ৰহ্মপুত্ৰ আৰু গংগাক লৈ অধ্যয়ন সম্পূৰ্ণ কৰিছে। এই অধ্যয়নত বৰাক, ব্ৰহ্মপুত্ৰ আৰু গংগাত মালবাহী জাহাজ চলাচলৰ সুবিধা আছে বুলি প্ৰকাশ কৰা হয়।

ইয়াৰ পৰিপ্ৰেক্ষিতত এই বছৰৰ পৰাই তিনিওখন নদীত মালবাহী জাহাজ চলাচলৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট ঃ সোণোৱাল**

তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে সামুদ্ৰিক খণ্ডত নতুন অধ্যায় সংযোজন কৰিবলৈ সমৰ্থ হৈছে। সাগৰমালা প্ৰকল্পৰ পৰা হৰিতসাগৰ প্ৰকল্পলৈকে, জলবাহক সামগ্ৰী পৰিবাহী জাহাজৰ পৰা হৰিত নৌকা অভিযানলৈকে ভাৰতে বন্দৰ, জলপথ আৰু জাহাজ পৰিবহন খণ্ডৰ অভূতপূৰ্ব ৰূপান্তৰ সাধন কৰিছে বুলি তেওঁ কয়। এই ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চল এক্ট ইষ্ট নীতিৰ অধীনত দেশৰ বিকাশৰ শক্তিশালী ইঞ্জিন হিচাপে পৰিগণিত হৈছে বুলি তেওঁ উল্লেখ কৰে। পৰিবহন মন্ত্ৰী যোগেন মহনৰ সৈতে ৰাটাৰ ভয়েজ নৰ্থ-ইষ্ট শীৰ্ষক এই ৰোড শ্ব'ত অংশ লোৱাৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এখন সংবাদমেলো সম্বোধন কৰে।

০০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নৱজাতকৰ আই চি ইউ বেডৰ পৰা পৰি এটি শিশুৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত চিকিৎসকসহ ৭ জনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। চিকিৎসা মহাবিদ্যালয়খনৰ অধীক্ষক ডাঃ দেৱজিত চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, এই ঘটনা সন্দৰ্ভত হাস্পতালখনৰ শিশু চিকিৎসা বিভাগৰ মুৰব্বী ডাঃ অনুপমা ডেকা, সহযোগী অধ্যাপক ডাঃ দীপাংকৰ হাজৰিকাক নিলম্বনৰ লগতে বিভাগীয় কাৰ্যব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। একেদৰে ষ্টাফ নাৰ্ছ চন্দনা নাথ, পম্পী দেৱী আৰু আই চি ইউ টেকনিচিয়ান ঈশাশজ্যোতি তালুকদাৰকো নিলম্বনৰ নিৰ্দেশ দিয়া হৈছে। এই তদন্ত প্ৰতিবেদনত অৱশ্যে ঘটনাৰ পাছতহে গ্ৰেপ্তাৰ কৰা নাৰ্ছ ভানুপ্ৰিয়াৰ নাম উল্লেখ কৰা হোৱা নাই। অনুৰূপধৰণে কৰ্তব্যৰ গাফিলতিৰ অভিযোগত স্নাতকোত্তৰ শ্ৰেণীৰ দুগৰাকী শিক্ষাৰ্থী ডাঃ ঋষিকেশ ঠাকুৰীয়া আৰু ডাঃ পূজাক চিকিৎসা মহাবিদ্যালয়খনৰ পৰা ছমাহৰ বাবে বহিস্কাৰ কৰা হৈছে বুলি ডাঃ চৌধুৰীয়ে জানিবলৈ দিয়ে।

**বাইট ঃ ডাঃ দেৱজিৎ চৌধুৰী**

ইপিনে নৱজাতকৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰে তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰি চিকিৎসা মহাবিদ্যালয় হাস্পতালখনৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ অচ্যুৎ বৈশ্য আৰু অতিৰিক্ত অধীক্ষক ডাঃ প্ৰদীপ কুমাৰ দাসলৈ পত্ৰ প্ৰেৰণ কৰিছে। ৰাজ্য চৰকাৰৰ চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিঙে প্ৰেৰণ কৰা এই পত্ৰযোগে ভৱিষ্যতে যাতে এনে ধৰণৰ ঘটনা সংঘটিত নহয় তাৰ বাবে সতৰ্ক হৈ থাকিবলৈ হাস্পতাল কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। তদুপৰি সুৰক্ষা সম্পৰ্কীয় নীতি আৰু কাৰ্যবিধি কঠোৰভাৱে মানি চলিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে।

০০০০০০

বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আজি গুৱাহাটীত এখন কৰ্মশালা অনুষ্ঠিত হয়। দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ অধীনৰ এই আয়োগে অসম চৰকাৰৰ সহযোগত মাণ্ডলিক পৰ্যায়ত সামৰ্থ বৰ্ধন আৰু সজাগতা সৃষ্টিৰ বাবে এই কৰ্মশালাৰ আয়োজন কৰে। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এই কৰ্মশালাত অসমৰ উপৰি অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদৰ কাৰ্যবাহী সদস্য ড° বিনীতা আগৰৱালে এই অনুষ্ঠানত দিয়া ভাষণত উত্তৰ-পূৰত থকা অনন্য সুবিধা আৰু দক্ষতা বিকাশৰ সুযোগ সমূহৰ বিষয়ে উল্লেখ কৰে। একেদৰে আন এগৰাকী কাৰ্যবাহী সদস্য ড° মীনা পাহুজাই প্ৰযুক্তি নিৰ্ভৰ অৰ্থনীতি দাবী অনুসৰি দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানৰ সামৰণি ভাষণত পৰিষদৰ সঞ্চালক ড° সুভাষ দেশমুখে উত্তৰ-পূৰৰ ৰাজ্যসমূহৰ সৈতে বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদৰ সমন্বয় সাধনত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে ২০১৮ চনত কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা কৰা ৰাষ্ট্ৰীয় বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদে দেশৰ

বিভিন্ন প্ৰান্তত বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদানৰ দিহা কৰি আহিছে। এই পৰিষদ দেশৰ বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ গুণগত মানৰ উন্নয়নৰ প্ৰতি দায়বদ্ধ।

০০০০০০

ভাৰতীয় ৰাষ্ট্ৰীয় বাণিজ্য সংঘ কংগ্ৰেছ-আই এন টি ইউ চিৰ ৰাজ্যিক পৰ্যায়ৰ এখন বৈঠক আজি গুৱাহাটীত অনুষ্ঠিত হয়। এই বৈঠকত ৰমন্না বৰুৱাই  সংস্থাটোৰ অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। তেওঁৰ লগতে চবনম চুলতানাই ৰাজ্যিক সভানেত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰে। এই অনুষ্ঠানত ৭৫ গৰাকী সক্ৰিয় সদস্য আৰু জ্যেষ্ঠ নেতা উপস্থিত থাকে।

০০০০০০

কাছাৰ আৰক্ষীয়ে আজি শিলচৰ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ পৰা এজন ভুৱা চিকিৎসকক আটক কৰিছে। স্ত্ৰী ৰোগ বিশেষজ্ঞ হিচাপে কৰ্তব্যৰত মীৰ হুছেইন আহমেদ বৰভূঞা নামৰ অভিযুক্ত ভুৱা চিকিৎসকজনৰ ঘৰ কাছাৰ জিলাৰ গণিৰগ্ৰামত। জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাট্টাই আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে মতে অভিযুক্ত যুৱকজনে ২৯ আগষ্টৰ পৰা স্ত্ৰীৰোগ বিশেষজ্ঞ হিচাপে চিকিৎসালয়খনত কাম কৰি আৰম্ভ কৰিছিল। চিকিৎসালয়খনৰ কেইজনমান কৰ্মচাৰীৰ তথ্যৰ ভিত্তিত আৰক্ষীয়ে আজি ভুৱা চিকিৎসকজনক আটক কৰে। এই সন্দৰ্ভত কাছাৰ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। উল্লেখযোগ্য যে কেইদিনমান আগতে শিলচৰৰ অন্য এখন চিকিৎসালয়ৰ পৰা পুলক মালাকাৰ নামৰ অন্য এজন ভুৱা চিকিৎসকক কাছাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল।

০০০০০০

সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৬ ছেপ্তেম্বৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত গীতিকাৰ, সাহিত্যিক, সাংবাদিক আৰু চিত্ৰকৰ হিচাপে ড০ ভূপেন হাজৰিকাৰ মূল্যায়ন কৰাৰ প্ৰয়াস কৰা হ'ব। বিশিষ্ট গীতিকাৰ ড০ দিনেশ বৈশ্য, বিশিষ্ট নিবন্ধকাৰ ড০ পৰমানন্দ মজুমদাৰ আৰু বিশিষ্ট সাংবাদিক মণি মহন্তই ভাগ ল'বলগীয়া এই আলোচনাৰ অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

সমাপ্ত